

# 2 কি দীঘল? কি ঘূৰণীয়া?



## চাৰিওফালে চোৱা!

বিদ্যা বাইদেৱে সকলো ছাত্ৰ ছাত্ৰীক ঘূৰণীয়াকৈ বহিবলৈ কৈছে।





not to be republished

শিশুসকলক শ্ৰেণীত এটা খেল খেলিবলৈ কওক। শিশুসকলকক দুটা বস্তুৰ নাম কবলৈ কওক- এটা দীঘল আৰু এটা ঘূৰণীয়া। প্ৰত্যেকবাৰে তেওঁলোকে নতুন নতুন নাম লব পাৰে কিন্তু একেটা নাম দুবাৰ পুণৰাবৃত্তি কৰিব নোৱোাৰিব। দীঘল বস্তুৰ ক্ষেত্ৰত শিশুসকলে বহল বা দীঘল আকৃতিৰ ওপৰত গুৰুত্ব দিব পাৰে। উদাহৰণ স্বৰূপে এটা গিলাচ কাৰোবাৰ দৃষ্টিত দীঘল হব পাৰে আৰু আন কাৰোবাৰ দৃষ্টিত ঘূৰণীয়া হব পাৰে। দুয়োটাই শুদ্ধ বুলি গ্ৰহণ কৰিব লাগে আৰু তেওঁলোকক যুক্তিৰে বুজাই দিবলৈ অনুপ্ৰাণিত কৰিব লাগে।





## ভাবা আৰু কোৱা

ক. ঘূৰণীয়া বস্তুবোৰত ◯ আৰু দীঘল বস্তুবোৰত ▭ চিন দিয়া।













© NCERT
not to be republished

খ. একে আকৃতিৰ বস্তুবোৰ মিলোৱা।






























© NCERT not to be republished

গ. বল আকৃতিৰ বস্তুবোৰত ৰাইট চিন ✓ দিয়া  ।











ঘ. টুপি আকৃতিৰ বস্তুবোৰত ৰাইট চিন ✓ দিয়া  ।



ঙ. গিলাচ আকৃতিৰ বস্তুবোৰত ৰাইট চিন ✓ দিয়া  ।



চ. জুইশলা বাকচ আকৃতিৰ বস্তুবোৰত ৰাইট চিন ✓ দিয়া  ।






## কৰি চাওঁ আহা

তোমাৰ চাৰিওফালে পোৱা বস্তুবোৰৰ সহায়ত ঘৰ, পুতলা, ৰবট, টাৱাৰ, বাচ নাইবা অন্যান্য বস্তু সাজা। তোমালোকে নোটবুক, কিতাপ, পেঞ্চিল বাকচ, পানী বটল, পেলনীয়া বাকচ, বাৰ্থদে টুপি ইত্যাদিও ব্যৱহাৰ কৰিব পাৰা।

লৰা-ছোৱালীবোৰক চাৰিটা দলত ভাগ কৰক। প্ৰত্যেক লৰা-ছোৱালীকে এটা আকৃতি দেখুওৱাক আৰু তেওঁলোকক এনে আকৃতিৰ দুটা পেলনীয়া নাইবা ব্যৱহাৰ হোৱা বস্তু আনিবলৈ কওক। শ্ৰেণীকোঠাত তেওঁলোকে অনা বস্তুবোৰ সজাই থওক আৰু তেওঁলোকে কিয় সেই বস্তুবোৰ নিৰ্বাচন কৰিলে কবলৈ কওক।



© NCERT not to be republished



## জ্ঞানী আইতা


এসময়ত এজনী সৰু ছাগলী পোৱালী আছিল আৰু এদিন তাই তাইৰ আইতাকৰ ওচৰলৈ গৈছিল।

এটা শিয়ালে ছাগলী পোৱালীটো দেখিলে আৰু তাইক ধৰিবলৈ বিচাৰিলে।




ছাগলী পোৱালীটোৱে আইতাকৰ ঘৰলৈ গৈ আইতাকক সকলো কথা কলে।

আইতাকে এটা বুদ্ধি কৰিলে আৰু পোৱালীটোক এটা ঢোলৰ ভিতৰত ভৰাই ঢোলটো বাগৰাই তাইক ঘৰলৈ পঠিয়াই দিলে।




সাধুটো জোৰেৰে পঢ়ক আৰু শিশু সকলক অভিনয় কৰিবলৈ কওক।



© NCERT not to be republished

ঢোলটো *জোৰেৰে* বাগৰি বাগৰি আহিলে আৰু শিয়ালটোৱে তাৰ পাছে পাছে দৌৰিব ধৰিলে।



শিয়ালটোৱে ছাগলী পোৱালীটোক ধৰিব নোৱাৰিলে আৰু তাই নিৰাপদে ঘৰ পালেহি।






ঢোলটো কিয় বাগৰে ছাত্ৰ ছাত্ৰীক এই বিষয়ে যুক্তি দিবলৈ দিয়ক। ঢোলৰ আকৃতি আৰু হাবিৰ পৰা ছাগলী পোৱালীটোৰ ঘৰলৈ অহা হেলনীয়া ৰাস্তাৰ বিষয়ে আলোচনাৰ আয়োজন কৰক।



© NCERT not to be republished

## খেলো আহা

তলৰ ছবিত লৰা ছোৱালীবোৰে কেৰম খেলি  আছে। তুমিও কেৰম খেলিব পাৰা আৰু কেনেকৈ ষ্ট্ৰাইকাৰে গুটিবোৰ পিছলাই  চুকলৈ লৈ গৈছে চোৱা।




ক. তলৰ ছবিত দিয়া বস্তুবোৰৰ যিবোৰ চলি যায় সেইবোৰত **'R'** (Rolling) আৰু যিবোৰ চুচৰি যায় সেইবোৰত **'S'** (Sliding) লিখা ◯ ।




খ. তোমাৰ চাৰিওফালে পোৱা বিভিন্ন ধৰণৰ বস্তুবোৰ সংগ্ৰহ কৰা আৰু সেইবোৰ চলি যায় নে চুচুৰি যায় চোৱা।

গ. তুমি এনেকুৱা বস্তু দেখিছানে যি চলিও যায় আৰু চুচৰিও যায় ? যদি দেখিছা, শ্ৰেণীত আলোচনা কৰা।

শিশুসকলে তেওঁলোকৰ ঘৰত নাইবা বিদ্যালয়ত পোৱা বিভিন্ন বস্তুবোৰৰ বিষয়ে কবলৈ কওক যিবোৰ চলিও যায় আৰু চুচৰিও যায়। কোনবোৰ বৈশিষ্টই বস্তুবোৰক সমান তলত চলি যোৱা নাইবা চুচৰি যোৱাত সহায় কৰে সেইবোৰো আলোচনা কৰক।






© NCERT not to be republished



## ভাবা আৰু কৰা

তলৰ বস্তুবোৰ চলি যায়, চুচৰি যায় নে দুয়োটাই কৰে। ✓ নাইবা X চিন দিয়া।

| বস্তু | চলি যায় | বাগৰি যায় | চলিও যায়, বাগৰিও যায় দুয়োটাই |
|---|---|---|---|
|  | | | |
|  | | | |
|  | | | |
|  | | | |
|  | | | |
|  | | | |
|  | | | |
|  | | | |



## প্ৰকল্প

ক. ডাঠ কাগজৰ জোতা বাকচ, খালী খাদ্যৰ বাকচ, ফলমূলৰ বাকচ ইত্যাদিবোৰ সংগ্ৰহ কৰা। বাকচৰ সন্মুখৰ ফালটো কাটি মা-দেউতাৰ নাইবা শিক্ষকৰ সহায়ত পুতলাৰ নাক, মুখ, চকু বনোৱা আৰু ইয়াৰ সৈতে খেলা। তুমি ভাল পোৱা সাধু এটাৰ বাবে পুতলা বনোৱা আৰু শ্ৰেণীকোঠাত পুতলা নাচ প্ৰদৰ্শন কৰা।.

খ. বিভিন্ন ধৰণৰ বস্তুৰ সহায়ত দূৰ্গ বনোৱা। কোনবোৰ আকৃতিৰ বস্তুৰে বেচি ওখ আৰু স্থিৰ দূৰ্গ সাজিব পাৰি।.

গ. মাটিৰ সহায়ত বিভিন্ন আকৃতিৰ বস্তু বনোৱা

© NCERT not to be republished